T.D.C 3rd Year (6th Semester)

Sub:- PHILOSOPHY (নীতিবিজ্ঞান)

## সংযত পৰসুখবাদ বা মিলৰ উপযোগিতাবাদ

মিল (J.S. Mill) এজন সুখবাদী দাৰ্শনিক। তেওঁৰ মতে যি কামে যি অনুপাতে আনন্দ উদ্ভৱ কৰে, সেই কাম সেই অনুপাতে ভাল। আনন্দৰ বিপৰীত অনুভূতি উদ্ভৱ কৰিলে সেই কাম বেয়া। মিলে আনন্দৰ যি ইংৰাজী প্ৰতিশব্দ ব্যৱহাৰ কৰিছে, যি হ'ল Happiness. আনন্দ বা Happiness মানে তেওঁ সুখ অৰ্থাৎ pleasure আৰু দুখৰ অনুপস্থিতি নিৰ্দেশ কৰিছে। জীৱনৰ লক্ষ্য হিচাপে একমাত্ৰ কাম্য হ'ল দুখৰ পৰা মুক্তি আৰু সুখ প্ৰাপ্তি। মিলে আনন্দ আৰু সুখ কথা দুটাক সমাৰ্থক বুলি গণ্য কৰিছে।

মিলে সুখবাদত মানদণ্ড যথোচিত আৰু অনুচিত, ভাল আৰু বেয়াৰ সংজ্ঞা দিছে, এটা কাম যথোচিত বুলি গণ্য হ'ব, যদি সি সুখকৰ হয় আৰু এটা কাৰ্য্য যদি দুখদায়ক হয় বা কাৰ্য্যটোৱে যদি সুখতকৈ বেছি দুখ সৃষ্টি কৰে, তেন্তে সেই কাৰ্য্য বেয়া বুলি গণ্য কৰা হয়। ভাল আৰু বেয়াৰ এই সংজ্ঞা সম্পূৰ্ণৰূপে সুখবাদৰ ৰূপত নিৰ্ভৰশীল।

Scanned with CamScanner

মিলৰ সুখবাদ মনস্তত্ত্বসম্মত সুখবাদৰ ওপৰত প্ৰতিষ্ঠিত। তেওঁৰ মতে এটা বস্তুক কামনা কৰা আৰু তাক সুখদায়ক বুলি ভবা একেই মানসিক প্ৰক্ৰিয়াৰ দুটা ৰূপ মাত্ৰ। সহজ কথাত যি সুখদায়ক তাকেই আমি সকলো সময়তে কামনা কৰো। গতিকে আমি স্বভাৱতে সুখ কামনা কৰো।

মিল নীতিবিজ্ঞানসম্মত সুখবাদৰো সমৰ্থক আছে এই নীতিবিজ্ঞানসম্মত সুখবাদ মনস্তত্ত্বসম্মত সুখবাদৰ ওপৰত প্ৰতিষ্ঠিত। নীতিবিজ্ঞানসম্মত সুখবাদৰ সপক্ষে তেওঁ কয় যে কিবা এটা বস্তু যে আমাৰ কাম্য বা কামনাযোগ্য তাৰ প্ৰমাণ হ'ল যে আমি সঁচাকৈয়ে সেই বস্তু কামনা কৰিছো। সকলোৱে কামনা কৰে কাৰণেই সুখ কাম্য।

সুখবাদী হিচাপে মিল পৰসুখবাদৰ সমৰ্থক। তেওঁৰ মতে সৰ্বসাধাৰণৰ সুখেই মানুহৰ কাম্য। সৰ্বসাধাৰণৰ সুখ হ'ল নৈতিক আদৰ্শ। মিলে কয় যে যেতিয়া মানুহে উপযোগিতাবাদৰ আদৰ্শক গ্ৰহণ কৰে, তেতিয়া তেওঁ নিজৰ সুখ আৰু আনৰ সুখৰ ক্ষেত্ৰত নিৰপেক্ষ, স্বাৰ্থহীন আৰু সহৃদয়

Scanned with CamScanner

দাৰ্শনিক ভূমিকা লবলৈ বাধ্য হয়। তেতিয়া তেওঁ আনৰ পৰা যি ধৰণৰ ব্যৱহাৰ প্ৰত্যাশা কৰে নিজেও আনৰ লগত তেনে ব্যৱহাৰ কৰে — নিজক যেনেকৈ ভাল পায় অন্যান্য ব্যক্তিকও তেনেকৈয়ে ভাল পায়, সকলোৰে কাৰণে স্বাৰ্থত্যাগ হল উপযোগিতাবাদৰ মূল সূত্ৰ। মিলে কৈছে যে প্ৰত্যেক ব্যক্তিৰ সুখ তেওঁৰ নিজৰ কাৰণে ভাল, গতিকে সকলো ব্যক্তিৰ সুখ সমষ্টিগত হিচাপে সকলোৰে কাৰণে ভাল। উদাহৰণ স্বৰূপে:-

ৰামে তেওঁৰ নিজৰ সুখ কামনা কৰে।
হৰিয়ে তেওঁৰ নিজৰ সুখ কামনা কৰে।
যদুৱে ~~কি~~ তেওঁৰ নিজৰ সুখ কামনা কৰে।
∴ সকলোৱে সকলোৰে সুখ কামনা কৰে।

মিলৰ মতে বাহিৰৰ শাসন আৰু অন্তৰৰ শাসন — এই দুইপ্ৰকাৰ শাসনে আমাক আত্মসুখ বাদ দি পৰসুখ কামনাত প্ৰবৃত্ত কৰে। মিলে কৈছে যে অন্তৰৰ শাসন হল সৰ্বমানৱৰ সুখৰ কাৰণে অনুভূতি, আনৰ লগত একাত্ম হবলৈ বাসনা, আনৰ অনুভূতি আৰু দুখকষ্টৰ প্ৰতি শ্ৰদ্ধাবোধেই হল মানুহৰ সামাজিক অনুভূতি। বিবেকে আমাক নিজৰ স্বাৰ্থত ~~মন~~ মগ্ন হৈ থাকিবলৈ নিদিয়ে আৰু আনৰ কাৰণে কাম কৰিবলৈ ভিতৰৰ পৰা

Scanned with CamScanner

প্ৰণোদিত কৰে। আনৰ লগৰ প্ৰত্যয়বোধ হ'ল সহানুভূতিৰ বৈশিষ্ট্য, সেইকাৰণে আমি কেৱল নিজৰ সুখ কামনা নকৰো, আনৰ সুখও কামনা কৰো।

পৰাৰ্থবোধে মানুহৰ জীৱনত কিদৰে দেখা দিয়ে তাৰ মনস্তত্ত্বসন্মত ব্যাখ্যা দিবলৈ মিলে চেষ্টা কৰিছে। তেওঁৰ মতে স্বাৰ্থৰ স্থানান্তৰকৰণৰ বিবিধ মাধ্যমে মানুহে স্বাৰ্থপৰতাৰ পৰা পৰাৰ্থপৰতালৈ উন্নীত হয়। আমি প্ৰথমতে আত্মকেন্দ্ৰিক হৈ থাকো। আমি যে আনৰ সুখৰ কাৰণে চেষ্টা কৰো, তাৰ কাৰণ হ'ল এনে যে এনে কাম কৰিলে আমাৰ মনৰ দুখ দূৰ হৈ মনত সুখ জাগে। আগতে যি উদ্দেশ্য সাধনৰ উপায়মাত্ৰ আছিল, সিয়েই নিজৰ উদ্দেশ্যত পৰিণত হ'ল। ইয়াকে কয় 'স্বাৰ্থৰ স্থানান্তৰকৰণ'।

সুখবাদৰ সমৰ্থক দাৰ্শনিকৰ ভিতৰত কেৱল মিলেই সৰ্বপ্ৰথম সুখৰ গুণগত পাৰ্থক্যৰ কথা উল্লেখ কৰিছে। মিলে স্পষ্টভাৱে কৈছে যে কোনো কোনো সুখ স্বল্পস্থায়ী আৰু কম তীব্ৰ হ'লেও সি উৎকৃষ্টতৰ সুখ হব পাৰে। তেওঁৰ মতে

Scanned with CamScanner

মামুদৰ পৰা কল্যাণ মীৰ মাত দীৰ্ঘস্থায়ী সুফী মতবাদ গঢ়ি উঠিছে। ই মানৱ প্ৰেমৰ আৰু ঈশ্বৰ সুফীবাদ বিকশিত, সেইকাৰণে ইছলাম ইছলামিক আধ্যাত্মবাদৰ ৰহস্য বা অতীন্দ্ৰিয় ইছলামিকতাবাদক বুলি কোৱা হয়।

সুফীসকল ইছলাম ধৰ্মৰ মিলিত কৰাত যেতিয়া দিলে 'ইছলামৰ নিয়মাৱলী বাধ্য' ত ইয়াৰ নিৰ্ভৰ কৰিছে। ইছলামৰ নিয়মাৱলী অনুযায়ী মানৱৰ সুফীসকলেই প্ৰাধান্য দিছে কাৰণে সকলোৱেই আত্ম নিয়ন্ত্ৰণ কৰা উচিত। যদি নিয়মাৱলী অনুসৰি সম্ভৱ নহয়, তেন্তে আধ্যাত্মিক নিৰ্দেশক নিয়মাৱলীৰ দিশ আঁতৰাই, সেইদিশবোৰেই গ্ৰহণ কৰিব লাগিব। তেওঁ কয় যে মানুহৰ আত্মত এটা আধ্যাত্মিকবোধ আছে আৰু সেইকাৰণেই তেওঁ নিয়মবোৰৰ সলনি গুৰুত্ব কৰি উদ্দেশ্যৰ সুফী প্ৰাধান্য দিছে।

সাধাৰণ লোকসকলে যে ইছলাম ধৰ্মানুসাৰে গ্ৰহণ কৰিছে, তেওঁ সুফী ইছলাম আধ্যাত্মিক সূত্ৰ স্বীকাৰ কৰি আধ্যাত্মিকতাৰ সুফীৰ বৈশিষ্ট্য অনেক বিষয় [illegible] গ্ৰহণ কৰিছে।

---